**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-09-2026**
**Time:** 07-55 Hrs

***Assamese Morning Bulletin***
***Headlines***
*:::::::::::::::::::::::::::::::::::::*

০০০০

ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে উলহ-মালহেৰে পালন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে ৰাজ্যখনৰ সত্ৰ-নামঘৰসমূহৰ লগতে ঘৰে ঘৰে ব্যাপক আয়োজন চলিছে। ৰাজ্যখনৰ চৌদিশ কৃষ্ণ বন্দনাৰে মুখৰিত হৈ উঠিছে। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো বৰ্ণাঢ্য কাৰ্যসূচীৰ জন্মাষ্টমী উদযাপন কৰা হ'ব। বিগত বৰ্ষৰ দৰে এইবেলিও মন্দিৰৰ পৰম্পৰাগত বৈদিক ৰীতি-নীতিৰে জন্মাষ্টমীৰ আয়োজন কৰা হৈছে। দুপৰীয়া লগ্ন অনুসৰি মন্দিৰৰ বিগ্ৰহ মূল মণিকূটৰ পৰা উলিয়াই পূজাৰ বেদীত স্থাপন কৰি পূজা-অৰ্চনা কৰা হ'ব। লগতে দৌলগোবিন্দ মন্দিৰত নাম-প্ৰসংগও হ'ব। দৌলগোবিন্দত জন্মাষ্টনীৰ আয়োজন সন্দৰ্ভত উদ্যোক্তাই এনেদেৰ কয়-

বাইট (উদ্যোক্তা)

ইপিনে, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে নলবাৰী জিলাৰ উলাবৰীত পাগলাদিয়া নদীৰ বুকুত এখন পৰম্পৰাগত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উলাবৰী হিতসাধিনী পুথিভঁৰালৰ উদ্যোগত আয়োজিত ৮৩ সংখ্যক নাও খেল প্ৰতিযোগিতাত ভিন্ন প্ৰান্তৰ পৰা অহা ১৫খন খেল নাৱে অংশগ্ৰহণ কৰিব। বিয়লি ২ বজাত নাও খেল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

সত্ৰনগৰী মাজুলী, বৰপেটা, বটদ্ৰৱা আদিৰ লগতে ৰাজ্যখনৰ প্ৰধান প্ৰধান সত্ৰ আৰু নামঘৰসমূহ জন্মাষ্টমী উপলক্ষে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি সজাই-পৰাই তোলা হৈছে। পুৱাৰে পৰাই নামঘৰসমূহত ভকত আৰু আয়তীসকলৰ নাম-প্ৰসংগ, গীত-নৃত্য অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু তিনিশৰো অধিক নামঘৰৰ লগতে প্ৰতিটো পৰিয়ালে জন্মাষ্টমী পালন কৰিছে। হৰিনাম কীৰ্তনৰ ধ্বনিৰে মাজুলী দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কৃষ্ণৰ জন্মাষ্টমী উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৃষ্ণ নৃত্য, দিহানাম আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব।

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। এই উপলক্ষে ভক্তসকলে মন্দিৰসমূহ পৰিদৰ্শন কৰি ভগৱান শ্ৰীকৃষ্ণৰ উপাসনা কৰিছে। ভগৱান শ্ৰীকৃষ্ণক অৰ্পণ কৰিবলৈ মিঠাই আৰু আন সামগ্ৰী প্ৰস্তুত কৰিছে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে গকুল আৰু বৃন্দাবনৰ মন্দিৰসমূহৰ লগতে বাসগৃহসমূহো সজাই-পৰাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মাষ্টমী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। শ্ৰীমতী মুৰ্মুৱে দিয়া এটা বাৰ্তাত ভগৱান শ্ৰীকৃষ্ণৰ জীৱন আৰু শিকনিসমূহে দেশৰ সংস্কৃতি আৰু দাৰ্শনিক ঐতিহ্যত এটা নতুন মাত্ৰা প্ৰদান কৰিছে বুলি উল্লেখ কৰে।

০০০০

অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কালি প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু শোধনাগাৰ আৰু তৈলক্ষেত্ৰ সুৰক্ষাৰ বাবেও এটা বিশেষ বেটেলিয়ন গঠন কৰা হ'ব বুলিও জনায়।

আৰক্ষী সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমাধ্যমক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা অৱগত কৰে। লাচিত বৰফুকন একাডেমীক কম সময়ৰ ভিতৰতে পূৰ্ণাংগ ৰূপ দিয়াৰ লগতে এই একাডেমীখনক ৰাষ্ট্ৰীয়

মানৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসম আৰক্ষীত খালী থকা পাঁচ হাজাৰৰো অধিক পদত নিযুক্তি দিয়া হ'ব বুলি সংবাদমেলত প্ৰকাশ কৰে।

০০০০

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা স্বেচ্ছাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। কিছুদিন পূৰ্বে স্বেচ্ছামূলক অৱসৰ বিচাৰি দেৱাশীষ শৰ্মাই কৰা আবেদন কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰে গ্ৰাহ্য কৰিছে। সমান্তৰালকৈ নগাঁও জিলাৰ নতুন আয়ুক্ত হিচাপে আই এছ বিষয়া আৰণ্যক শইকীয়াক নিযুক্তি দিয়া হৈছে।

০০০০

যোৰহাট জিলাৰ ক্ৰীড়া সন্থাৰ উদ্যোগত আজি ৬০ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। যোৰহাট ষ্টেডিয়ামত হ'বলগীয়া আজিৰ উদ্বোধনী খেলখন যোৰহাটৰ ভিক্ট'ৰিয়া ক্লাব আৰু এন আৰ এল ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। খেলখন বিয়লি আঢ়ৈ বজাত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ ১০ টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ভাগ লোৱা আন দলসমূহ হৈছে – দুলীয়াজানৰ অইল ইণ্ডিয়া একাদশ, অসম পুলিচ ব্লুজ, নৰ্থ ইষ্ট ইউনাইটেড, এ এছ ই বি, যোৰহাট টাউন ক্লাব, ব্ৰহ্মপুত্ৰ ডলফিন, মণিপুৰৰ আছুপি ফুটবল ক্লাব আৰু ফুটবল ফৰ চেঞ্জ।

০০০০

ঃঃ সমাপ্ত ঃঃ